**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চামগুৰি আৰু বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থী দুগৰাকীৰ  হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চামগুৰি উচ্চতৰ মাধ্যমিক খেলপথাৰ, বিহালী স্নাতক মহাবিদ্যালয় খেলপথাৰ আৰু মহাবীৰ বিদ্যালয় খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত উন্নয়নৰ স্বাৰ্থত দলীয় প্ৰাৰ্থী দুগৰাকীক সমৰ্থন জনাবলৈ আহ্বান জনায়।

ইফালে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে আজি বাক্সা জিলাৰ দৰঙাত এটা ইমিগ্ৰেচন তালাচী চকীৰ নতুন ভৱন মুকলি কৰা হয়। দুয়োখন ৰাষ্ট্ৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূ-বন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাছো চেৰিং ট'বগে মুখ্য অতিথি  হিচাপে উপস্থিত থাকে। অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, কেন্দ্ৰীয় মন্ত্ৰী সঞ্জয় কুমাৰ, সাংসদ দিলীপ শইকীয়া বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা এই ইমিগ্ৰেচন তালাচী চকীটোত দৰঙা সীমান্তইদি কৰা ভ্ৰমণ আৰু বাণিজ্য সুশৃংখলিত কৰাৰ আধুনিক ব্যৱস্থা আছে। দৰঙাত এই তালাচী চকীৰ ভৱনটো ভাৰত আৰু ভূটানৰ যুটীয়া উদ্যোগত স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে এই নতুন ভৱনৰ নিৰ্মাণে ভাৰত আৰু ভূটানৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

সূৰ্য দেৱতাক ধৰ্মীয় ৰীতি-নীতিৰে আৰাধনা কৰি কল্যাণ কামনাৰে সম্পন্ন কৰা ষট পূজাৰ আজি তৃতীয় দিনা ভক্তসকলে নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়ায়। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ ব্ৰহ্মপুত্ৰ পাৰৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নৈৰ ঘাটসমূহত অগণন ভক্তৰ সমাগম হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতিয়ে এটা বাৰ্তাযোগে কয় যে ষট পূজা দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম আৰু সূৰ্য দেৱতাৰ উপাসনাৰ এটা উপলক্ষ। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে

সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ জ্যোতিকুছিত আয়োজিত ষট্ পূজাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি জনসাধাৰণক সম্বোধি ভাষণ দিয়ে। ইপিনে, ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থকাটো বাঞ্চনীয়। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

oooooooo

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া ৰাজীৱ লোচন বৰঠাকুৰে আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ উপ-সঞ্চালক হিচাপে যোগদান কৰিছে। শ্ৰী বৰঠাকুৰে আকাশবাণী গুৱাহাটীৰ লগতে কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটীস্থিত কাৰ্যালয়তো আঞ্চলিক বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰিব। আজি কাৰ্যালয়ত যোগদান কৰাৰ পাছত তেওঁ আকাশবাণীৰ বাতৰি বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ আঞ্চলিক বাতৰিৰ মান উন্নত কৰাৰ ক্ষেত্ৰত বিভিন্ন বিষয় লৈ আলোচনা কৰে।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ডং অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ মুখ্য মহা প্ৰবন্ধক নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

ooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

**সমাপ্ত**